অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/২০/২২-২৩ তাৰিখ : ৩০-১০-২০২২
Ref : Date :

## গীত-মাতেৰে মুখৰিত অসম জাতীয় বিদ্যালয়

## বিদ্যালয় চৌহদত আনুষ্ঠানিকভাৱে 'অসম জাতীয় বিদ্যালয় সন্মান' আৰু 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' প্ৰদান

**নুনমাটি, গুৱাহাটী, ৩১ অক্ট'বৰ ঃ** অসম জাতীয় বিদ্যালয় প্ৰাংগণত কালি আয়োজিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ২০২২ বৰ্ষৰ 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' আৰু 'অসম জাতীয় বিদ্যালয় সন্মান' আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। অসমৰ বিশিষ্ট চিত্ৰশিল্পী, চলচ্চিত্ৰ পৰিচালক পুলক গগৈক 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' আৰু সামাজিক-সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱা পাঁচগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে ড° বীৰেন্দ্ৰ নাথ দত্ত, এলি আহমেদ, জ্ঞানদা কাকতি, লক্ষহীৰা দাস আৰু ফণী চেতিয়াক 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান কৰা হয়।

বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি পদ্মশ্ৰী এলি আহমেদে অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত নিহিত প্ৰতিভাৰ প্ৰশংসা কৰি অসমীয়া মাত-কথা, সাজপাৰ, খাদ্যাভ্যাস পৰিহাৰ নকৰি সকলোৰে যাতে অসমীয়া সংস্কৃতিৰ স্বকীয়তাক সন্মান কৰে তাৰ বাবে আহ্বান জনায়। আনহাতে আন এগৰাকী জাতীয় বিদ্যালয় সন্মান প্ৰাপক, শিৱসাগৰ জিলাৰ শৈক্ষিক ক্ষেত্ৰলৈ অৰিহণা আগবঢ়োৱা ফণী চেতিয়াই অসমীয়া মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠাৰ আঁৰৰ কাহিনী উনুকিয়াই আজিৰ সময়ত অসমীয়া মাধ্যমৰ বিদ্যালয়ৈ অহা সংকটকালত ল'বলগীয়া পদক্ষেপৰ কথা উল্লেখ কৰে।

আনহাতে, শাৰীৰিক অসুস্থতাৰ বাবে লক্ষহীৰা দাসৰ হৈ বঁটা গ্ৰহণ কৰে তেওঁৰ পুত্ৰ ড° অভিনন্দন দাসে। আন দুগৰাকী জাতীয় বিদ্যালয় সন্মান প্ৰাপক ড° বীৰেন্দ্ৰ নাথ দত্ত আৰু জ্ঞানদা কাকতিক তেওঁলোকৰ শাৰীৰিক অৱস্থাৰ প্ৰতি লক্ষ ৰাখি নিজ বাসগৃহতে ইতিমধ্যে বঁটা প্ৰদান কৰা হয়।

প্ৰখ্যাত কাৰ্টুনিষ্ট, চিত্ৰশিল্পী, ছবি পৰিচালক পুলক গগৈৰ হৈ অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে তেওঁৰ জীয়াৰী অন্তৰা গগৈয়ে। উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ তৰফৰ পৰা আগবঢ়োৱা এই 'অসম জাতীয় বিদ্যালয় সন্মান'ত আছে অসম জাতীয় বিদ্যালয়ৰ প্ৰতীক সম্বলিত গামোছা, অংগবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, জাতীয় বিদ্যালয়ৰ স্মাৰক, ন্যাসৰ দ্বাৰা প্ৰকাশিত কিতাপৰ টোপোলা আৰু ২৫,০০০ হেজাৰ টকাৰ এখন চেক। আনহাতে অসম জাতীয় বিদ্যালয় ফেল'শ্বিপত জাতীয় বিদ্যালয় প্ৰতিক সম্বলিত গামোছা, অংগবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, ন্যাসৰ দ্বাৰা প্ৰকাশিত কিতাপৰ টোপোলা, স্মাৰকৰ লগতে দুবছৰৰ বাবে মাহিলি ৫,০০০.০০ টকা আগবঢ়োৱা হয়। কালিৰ অনুষ্ঠানত এইসকল বিশিষ্ট ব্যক্তিক আনুষ্ঠানিকভাৱে অজাবি সন্মান আৰু ফেল'শ্বিপ প্ৰদান কৰে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° ৰমেশ চন্দ্ৰ ডেকাই।

ইপিনে যোৱা ২৯ অক্টোবৰ তাৰিখে বিদ্যালয়ৰ বাৰ্ষিক গীত-মাতৰ গধূলিত বাৰ্ষিক মুখপত্ৰ 'বাখৰ' উন্মোচন কৰে বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৱে। এই উপলক্ষে দিয়া ভাষণ প্ৰসংগত সাহিত্যিক গৰাকীয়ে শিক্ষকেহে প্ৰকৃতপক্ষে সমাজ নিৰ্মাণ কৰে বুলি মন্তব্য কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা তথা অন্যান্য দিশত অজাবিৰ শিক্ষাৰ্থীসকলৰ সফলতাই মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ জয়গান প্ৰমাণিত কৰে বুলি কয়।' 'গীত-মাতৰ গধূলি' অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট অভিনয় শিল্পী ৰবি শৰ্মাই তেওঁৰ অভিনয় জীৱনৰ আদিগুৰু অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক প্ৰয়াত ত্ৰিদিৱ ভট্টাচাৰ্য্যক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ কৃতী শিক্ষাৰ্থীসকলক শৈক্ষিক বৃত্তি প্ৰদান কৰা হয়। দুয়োটা দিনতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে। 'গীত-মাতৰ গধূলি'ৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী সোণালী গগৈ।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়